জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬৮/২০২০

# কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাটাও জাতীয় সংগঠনৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে গঠিত মন্ত্ৰী গোটে শীঘ্ৰে চূড়ান্ত পৰ্যায়ৰ আলোচনা অনুষ্ঠিত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন দাখিলৰ বাবে পদক্ষেপ ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ আগষ্ট ঃ** কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাটাও জাতীয় সংগঠনৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আজি এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত উক্ত বৈঠকত কোঁচৰাজবংশী জনগোষ্ঠীৰ এই জাতীয় সংগঠনসমূহে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত তেওঁলোকৰ বিভিন্ন দাবী সম্বলিত স্মাৰক পত্ৰ দাখিল কৰি এই সমস্যাসমূহৰ সমাধানাৰ বাবে আহ্বান জনায়। বৈঠকৰ আৰম্ভণিতে ভৈয়াম জনজাতি কল্যাণ আৰু অন্যান্য  পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মাই ৰাজ্য চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠন ইত্যাদি বিষয় সন্দৰ্ভত তৎপৰতাৰে লোৱা ব্যৱস্থা সমূহ প্ৰতিনিধি বৰ্গক অৱগত কৰে। বৈঠকত কোঁচ ৰাজবংশী জাতীয় মহাসভা, সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, কোঁচ ৰাজবংশী সংগ্ৰাম সমিতি, সদৌ অসম কোঁচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী, সদৌ কোঁচ ৰাজবংশী মহিলা সমিতি, সদৌ অসম কোঁচ ৰাজবংশী সন্মিলনী ইত্যাদি সংগঠনসমূহৰ নেতৃবৃন্দই মুখ্যমন্ত্ৰীক ৰাজ্যখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দিশত তৎপৰতাৰে ব্যৱস্থা লোৱাৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনায়।

আটাইকেইটা জাতীয় সংগঠনৰ সৈতে অত্যন্ত সৌহাৰ্দমূলক পৰিৱেশত অনুষ্ঠিত আলোচনাত মুখ্যমন্ত্ৰী সোণোৱালে কোঁচ ৰাজবংশী জাতীয় সংগঠনৰ নেতৃবৰ্গক এই জনগোষ্ঠীটোৰ ৫৩ বছৰ  পুৰণি সমস্যা সমাধানৰ বাবে গণতান্ত্ৰিকভাৱে আলাপ-আলোচনাৰ জৰিয়তে পদক্ষেপ লৈ থকাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কোঁচ ৰাজবংশীসকলকে ধৰি ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীৰ সমস্যাসমূহ সমাধানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ তথা ৰাজ্য চৰকাৰে সমান্তৰালভাৱে পদক্ষেপ লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। কোঁচ ৰাজবংশী জনগোষ্ঠীকে ধৰি ৰাজ্যখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গঠিত মন্ত্ৰী গোটে ইতিমধ্যে তৎপৰতাৰে বিভিন্ন জাতীয় সংগঠন তথা সংস্থাৰ সৈতে আলোচনাত মিলিত হৈছে বুলি উল্লেখ কৰি যোৱা ২৪ মাৰ্চৰ পৰা ক'ৰণা মহামাৰীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ বাবে আনুষ্ঠানিকভাৱে এই সংক্ৰান্তত আজি বহুদিনৰ বিৰতি ৰমূৰত এনেদৰে আলোচনাত মিলিত হ'ব পৰা গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে

জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

চৰকাৰৰ দৃষ্টিভংগী এই দিশত সুস্পষ্ট আৰু খুব কম সময়ৰ ভিতৰতে চূড়ান্ত পৰ্যায়ৰ আলোচনা মন্ত্ৰী গোটে সমাপন কৰি এই প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ প্ৰেৰণৰ বাবে ৰাজ্য চৰকাৰে মনস্থ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঠিক তেনেদৰে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দিশতো অতি সোনকালেই সাংবিধানিকৰূপ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিধান সভাৰ মজিয়াত এই সম্পৰ্কে বিল উত্থাপিত কৰি ইয়াক অনুমোদন জনোৱাৰ পদক্ষেপ লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কোঁচ ৰাজবংশী জাতীয় সংগঠনসমূহৰ অন্যান্য দাবী সমূহৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জাতীয় জীৱনৰ দুই মহান বীৰ লাচিত বৰফুকন আৰু বীৰ চিলাৰায়ৰ নামত ১ হাজাৰ খন কাঠৰ দলং পকীকৰণৰ কামো ইতিমধ্যে যথেষ্ট অগ্ৰগতি লৈছে। অসমৰ গাঁৱে-ভূঞে যাতে নৱ প্ৰজন্মই এই দুগৰাকী বীৰৰ বিষয়ে ভালদৰে অৱগত হৈ জাতি গঠন প্ৰক্ৰিয়াত শক্তিশালী ভূমিকা ল'ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত পদক্ষেপ লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। জনজাতিকৰণকে ধৰি অন্যান্য সমস্যাসমূহ সমাধানৰ বাবে পূৰ্বৰ কোনো এখন চৰকাৰে আন্তৰিকতাৰে কোনো ধৰণৰ পদক্ষেপ লোৱা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে গণতান্ত্ৰিক প্ৰমূল্যবোধ অক্ষুণ্ণ ৰাখি সকলোৰে লগত আলাপ-আলোচনাৰ মাধ্যমেৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন দাখিলৰ বাবে পদক্ষেপ ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে এই প্ৰক্ৰিয়াত কোনোধৰণৰ বিসংগতি থাকিব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো সংগঠনক ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ প্ৰতি বিশ্বাস ৰাখিবলৈও আহ্বান জনায় আৰু খুব কম দিনৰ ভিতৰতে মন্ত্ৰী গোটৰ সৈতে সংগঠনসমূহৰ চূড়ান্ত পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব বুলিও তেওঁ কয়।

আজিৰ এই আলোচনাত কোঁচ ৰাজবংশী জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়, কাৰ্যকৰী সভাপতি নিৰ্মল ৰায়, সভাপতি তৰণীকান্ত ৰায়, সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জীৱেশ ৰায়, কোঁচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক দুলাল চন্দ্ৰ ৰায়, সদৌ অসম কোঁচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সাধাৰণ সম্পাদক ধৰ্মেন্দ্ৰ ৰায়, সভাপতি বৈষ্ণৱ কোঁচ, সদৌ কোঁচ ৰাজবংশী মহিলা সমিতিৰ সভানেত্ৰী মালতী ৰায়, সদৌ অসম কোঁচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক হিমু ৰাজবংশীকে ধৰি সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, সদৌ অসম কোঁচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী, সদৌ কোঁচ ৰাজবংশী মহিলা সমিতি, চিলাৰায় সেনা, কমতাপুৰ আৰ্টিচ ছ'চাইটি, কোঁচ ৰাজবংশী সংগ্ৰাম সমিতি, কোঁচ ৰাজবংশী জাতীয় মহাসভা, কোঁচ ৰাজবংশী জাতীয় মঞ্চ, সদৌ অসম কোঁচ ৰাজবংশী সন্মিলনী ইত্যাদিকে ধৰি প্ৰায় ১২ টা কোঁচ ৰাজবংশী জাতীয় সংগঠনৰ নেতৃবৃন্দই এই আলোচনাত অংশ লয়।

আজিৰ এই আলোচনাৰ সময়ত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণী ভূষণ চৌধুৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ / প্ৰঃকুঃবঃ**

**২৫/০৮/২০২০**